# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2024
**Time :** 0650 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। সমগ্ৰ দেশে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন ৰাষ্ট্ৰ হিচাপে ঐক্যবদ্ধভাৱে আগবাঢ়িছে।

৪। ৰাষ্ট্ৰপতিয়ে দেশৰ সশস্ত্ৰ বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১০৩ গৰাকী কৰ্মীক সাহসীকতাৰ বঁটা প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

*আৰু*

৫। ক্ৰীড়া চালিছী আদালতে মল্লযোদ্ধা ৱিনেশ ফোগটৰ আৱেদন খাৰিজ কৰাৰ পাছত ভাৰতীয় অলিম্পিক সংস্থাই অন্য আইনী বিকল্পৰ অন্বেষণ কৰিছে।

ooooo

সমগ্ৰ দেশে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন কৰিছে। দিল্লীৰ ঐতিহাসিক লালকিল্লাত স্বাধীনতা দিৱসৰ মূল অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। এইবাৰ স্বাধীনতা দিৱসৰ মূল বিষয়বস্তু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে, এই উদ্‌যাপনে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে চৰকাৰৰ প্ৰয়াসত নতুন গতি প্ৰদানৰ বাবে মঞ্চ হিচাপে কাম কৰিব।

দেশপ্ৰেমৰ এই উৎসৱত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দেশ্যে এইবেলি প্ৰায় ছহেজাৰ বিশেষ অতিথিক লালকিল্লাৰ অনুষ্ঠান প্ৰত্যক্ষ কৰাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। যুৱ প্ৰজন্ম, জনজাতীয় সম্প্ৰদায়, খেতিয়ক, মহিলা আৰু বিশিষ্ট অতিথি হিচাপে বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা লোকক আমন্ত্ৰণ জনোৱা হৈছে। সদ্যসমাপ্ত পেৰিছ অলিম্পিকত ভাগ লোৱা ভাৰতীয় দলকো স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি পৰম্পৰাগত সাজ-পাৰ পৰিহিত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় দুহেজাৰ লোককো এই অনুষ্ঠান চাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। মাই গভ আৰু আকাশবাণীৰ সহযোগত প্ৰতিৰক্ষা মন্ত্ৰালয়ে আয়োজন কৰা বিভিন্ন অনলাইন প্ৰতিযোগিতাৰ ৩ হেজাৰ বিজেতায়ো অনুষ্ঠানৰ অংশ হ'ব। ইয়াৰ উপৰি সমগ্ৰ দেশৰ বিভিন্ন বিদ্যালয়ৰ মুঠ দুহেজাৰ কেডেটে অনুষ্ঠানত ভাগ ল'ব।

আকাশবাণীয়ে স্বাধীনতা দিৱস উপলক্ষে পুৱা ৭ বজাৰ পৰা  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণ আৰু পতাকা উত্তোলন অনুষ্ঠানত চলন্ত বিৱৰণী হিন্দী আৰু ইংৰাজী ভাষাত সলনা-সলনিকৈ প্ৰচাৰ কৰিব। বিবিধ ভাৰতী ৰাষ্ট্ৰীয় সেৱা, বিবিধ ভাৰতী কেন্দ্ৰ, স্থানীয় অনাতাঁৰ কেন্দ্ৰ, সমূহীয়া অনাতাঁৰ কেন্দ্ৰ, এফ এম ৰেইনবো, এফ এম গোল্ড আৰু অন্য এফএম চেনেলসহ আকাশবাণীৰ সকলো আঞ্চলিক কেন্দ্ৰই এই চলন্ত বিৱৰণী ৰীলে কৰি শুনাব। আকাশবাণীৰ ইউটিউব চেনেল, আকাশবাণী এ আই আৰ যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ আঞ্চলিক কেন্দ্ৰসমূহে প্ৰধানমন্ত্ৰীৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

লালকিল্লাৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰা অনুষ্ঠানৰ পাছত হিন্দী আৰু ইংৰাজী ভাষাৰ মূল বাতৰি প্ৰচাৰ কৰা হ'ব। ইয়াৰ পাছত অন্যান্য বাতৰি বুলেটিনসমূহ প্ৰচাৰ কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন ৰাষ্ট্ৰ হিচাপে ঐক্যবদ্ধভাৱে আগবাঢ়িছে। তেওঁ কয় যে, আমি তথা কথিত সামাজিক বিন্যাসক লৈ মতানৈক্য সৃষ্টি কৰিব পৰা প্ৰবৃত্তিসমূহ প্ৰত্যাখ্যান কৰা উচিত। স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া কালি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, দেশৰ সমাজ জীৱনৰ প্ৰতিটো দিশতে অন্তৰ্ভুক্তিৰ ভাৱনা বিয়পি আছে। অন্তৰ্ভুক্তিৰ আহিলা হিচাপে ইতিবাচক কাৰ্যত গুৰুত্ব আৰোপ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সামাজিক গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ দীৰ্ঘস্থায়ী হব নোৱাৰে। তেওঁ কয় যে, চৰকাৰে সামাজিক ন্যায়ত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে আৰু  চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সমাজৰ অন্য উপান্ত শ্ৰেণীসমূহৰ বাবে ভালেমান কল্যাণমূলক উদ্যম গ্ৰহণ কৰিছে। এই প্ৰসংগত ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী সামাজিক উত্থান এবং ৰোজগাৰ আধাৰিত জনকল্যাণ আঁচনি প্ৰধানমন্ত্ৰী সু-ৰাজ আৰু প্ৰধানমন্ত্ৰী জনজাতি আদিৱাসী ন্যায় মহাভিযানৰ কথা উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতবৰ্ষ ৮ শতাংশৰ বাৰ্ষিক গড় বিকাশ হাৰেৰে বিশ্বত সবাতোকৈ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ অন্যতম হৈ উঠিছে। তেওঁ কয় যে, ইয়াৰ ফলত  অকল জনসাধাৰণৰ হাতলৈ অধিক ধন অহাই নহয় বৰং দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যাও চকুত লগা ধৰণে হ্ৰাস পাইছে। ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিণত হোৱা বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে অনাগত সময়ত দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হ'ব বুলি আস্থা প্ৰকাশ কৰে। খেতিয়ক আৰু শ্ৰমিকসকলৰ কঠোৰ শ্ৰম আৰু নীতি প্ৰণেতাসকলৰ দূৰদৰ্শিতাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, চৰকাৰে চলিত বৰ্ষৰ জুলাইৰ পৰা ভাৰতীয় ন্যায় সংহিতা প্ৰণয়ন কৰি ঔপনিবেশিক শাসনকালৰ আৰু এটা চিহ্ন নাইকীয়া কৰিছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে নিজৰ ভাষণত এইবছৰ অনুষ্ঠিত সাধাৰণ নিৰ্বাচনক সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়া বুলি অভিহিত কৰে। তেওঁ লগতে ত্ৰুটিবিহীন আৰু সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে  নিৰ্বাচন আয়োগক অভিনন্দন জনায়। বিভাজন বিভিষিকা স্মৃতি দিৱস পালন কৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই দিৱসে আমাক দেশ বিভাজনৰ ভয়াবহতাৰ কথা সোঁৱৰাই দিয়ে।

তেওঁ সংবিধান দিৱস পালনৰ কথা উল্লেখ কৰি কয় যে, সংবিধানত উল্লেখিত ন্যায়, ক্ষমতা, স্বতন্ত্ৰতা আৰু সম্প্ৰীতিৰ আদৰ্শৰাজি মানি চলি চৰকাৰে দেশক বিশ্ব মঞ্চত শক্তিশালী স্থিতিত উপনীত কৰাৰ বাবে প্ৰয়াস কৰি

আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লিংগ ন্যায় আৰু জলবায়ু ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰকাৰে মহিলাৰ কল্যাণ আৰু মহিলাৰ সবলীকৰণত সমানে গুৰুত্ব আৰোপ কৰাৰ বিষয় লৈ শ্ৰীমতী মুৰ্মুৱে আনন্দ প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকত এই উদ্দেশ্যৰ বাবে আৱণ্টিত ধন ৩ গুণৰো অধিক হৈছে। মহিলাসকলক কেন্দ্ৰত ৰাখি ভালেমান বিশেষ চৰকাৰী আঁচনি যুগুতাই উলিওৱা হৈছে বুলি তেওঁ মন্তব্য কৰ। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, প্ৰকৃত মহিলা সবলীকৰণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে নাৰী শক্তি বন্দন অধিনিয়ম প্ৰণয়ন কৰা হৈছে। জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত মত প্ৰকাশ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সম্প্ৰতি ই এটা বাস্তৱিকতাত পৰিণত হৈছে। ভাৰতে গোলকীয় উষ্ণতাৰ বিৰূপ প্ৰভাৱৰ পৰা পৃথিৱীক ৰক্ষা কৰাৰ বাবে মানৱ জাতিয়ে চলোৱা প্ৰচেষ্টাত অগ্ৰণী ভূমিকা পালন কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ সকলোকে নিজৰ নিজৰ জীৱনশৈলীত ক্ষুদ্ৰ অথচ ফলপ্ৰসূ পৰিৱৰ্তন আনি জলবায়ু পৰিৱৰ্তনৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাক সন্ধ্যা দেশৰ সশস্ত্ৰ বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১০৩ গৰাকী কৰ্মীক সাহসীকতাৰ বঁটা প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই বঁটাসমূহৰ ভিতৰত আছে- ৪টা কীৰ্তি চক্ৰ, ১৮টা সৌৰ্য চক্ৰ আৰু এটা সাহসিকতাৰ সেনা পদক। ইয়াৰ লগতে সাহসিকতা বঁটাসমূহৰ ভিতৰত ৬৩টা সাহসিকতাৰ সেনা পদক, ১১টা সাহসিকতাৰ নৌসেনা পদক আৰু ৬টা সাহসিকতাৰ বায়ুসেনা পদক আছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে বিভিন্ন সামৰিক অভিযানত গুৰুত্বপূৰ্ণ অৱদানৰ বাবে মৰণোত্তৰভাৱে আৰ্মী ডগ কেণ্টৰ লগতে ৩৯ Mention-in-Despatches বঁটাৰ বাবেও অনুমোদন দিছে।

এই অভিযানসমূহৰ ভিতৰত অপাৰেচন ৰক্ষক, অপাৰেচন স্ন লিয় পাৰ্ড, অপৰাৰেচন সহায়তা, অপাৰেচন অৰ্কিড আদি অন্যতম।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হৰ ঘৰ তিৰংগা অভিযান সমগ্ৰ দেশত জনপ্ৰিয় হোৱাক লৈ আনন্দ প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কৈছে যে, এই জনপ্ৰিয়তাই ত্ৰিৰংগাৰ প্ৰতি ১৪০ কোটি ভাৰতীয়ৰ গভীৰ সন্মানকে প্ৰতিফলিত কৰিছে। সামাজিক মাধ্যম এক্স যোগে তামিলনাডুৰ ৰামেশ্বৰমৰ সমীপত মণ্ডপমত ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে উদযাপন কৰা হৰ ঘৰ তিৰংগা অভিযানৰ দৃশ্য শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে।

ooooo

ক্ৰীড়া চালিছী আদালতে পেৰিছ্ অলিম্পিকৰ মহিলাৰ মল্লযুঁজত ৫০ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক প্ৰদানৰ বাবে ভাৰতীয় মল্লযোদ্ধা ৱিনেশ ফোগটে জনোৱা আৱেদন খাৰিজ কৰাৰ পাছত ভাৰতীয় অলিম্পিক সংস্থাই অন্য আইনী বিকল্পৰ অন্বেষণ কৰিছে। ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি উষাই United World Wrestling আৰু আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ বিৰুদ্ধে ৱিনেশ ফোগটে জনোৱা আৱেদন সন্দৰ্ভত চালিছী আদালতৰ ৰায়ক লৈ আশ্বৰ্য প্ৰকাশ কৰিছে। ভাৰতীয় অলিম্পিক সংস্থাই এটা বিবৃতি যোগে কৈছে যে, ৱিনেশ ফোগটৰ বিষয়টো চালি-জাৰি চোৱাটো সুনিশ্চিত কৰিবলৈ সংস্থাটো বদ্ধ পৰিকৰ। খেলুৱৈ আৰু খেলৰ সৈতে

জড়িত সকলোৰে অধিকাৰ আৰু মৰ্যাদা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সংস্থাটোৱে ক্ৰীড়া ক্ষেত্ৰত ন্যায় আৰু নিৰপেক্ষতাৰ পোষকতা কৰি যাব বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে।

ooooo

পঞ্চায়তী ৰাজ মন্ত্ৰালয়ৰ অধীনত কালি নতুন দিল্লীত পঞ্চায়তত মহিলাৰ নেতৃত্ব বিষয়ক এখন ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত দেশৰ বিভিন্ন প্ৰান্তৰ ১৬০ গৰাকীৰো অধিক পঞ্চায়ত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি পুডুচেৰীৰ প্ৰাক্তন উপ ৰাজ্যপাল কিৰণ বেদীয়ে তৃণমূল পৰ্যায়ত পঞ্চায়তৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰি পঞ্চায়ত প্ৰতিনিধিসকলক সেইসমূহৰ সমাধানৰ পৰামৰ্শ প্ৰদান কৰে। তেওঁ কয় যে- পঞ্চায়ত চৰপঞ্চসকলে তেওঁলোকৰ দায়িত্বসমূহ গ্ৰহণ কৰা উচিত কিয়নো দেশৰ দুই-তৃতীয়াংশ লোক গ্ৰাম্য ভাৰতত বাস কৰে।

ooooo

**সমাপ্ত**